# NSD NEWS UNIT

## Akashvani :: Guwahati

0000000000

**Date :** 09-04-2024
**Time :** 19-10 Hrs

**Assamese Evening Bulletin**

::::::::::::::::::::::::::::::::

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এইবাৰৰ লোকসভা নিৰ্বাচন একবিংশ শতিকাৰ ভাৰতবৰ্ষৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ নিৰ্বাচন ৰূপে বিবেচিত হৈছে। শ্ৰীমোদীয়ে আজি মধ্য প্ৰদেশৰ বালাঘাটত এখন নিৰ্বাচনী সভাত ভাষণ দি এইদৰে প্ৰকাশ কৰে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, উত্তৰ পূৰ্বাঞ্চলে দেশৰ সফলতাৰ কাহিনী হিচাপে আত্মপ্ৰকাশ কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিশ্ব হোমিঅ'পেথি দিৱস উপলক্ষে কাইলৈ নতুন দিল্লীৰ যশোভূমি সভাগৃহ, দ্বাৰকাত দুদিনীয়া হোমিঅ'পেথিক সন্মিলন উদ্বোধন কৰিব।

৪। দিল্লী উচ্চ ন্যায়ালয়ে ক'লাধন বৈধকৰণৰ গোচৰত বিধি বলবৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰা কাৰ্যক প্ৰত্যাহ্বান জনাই অৰবিন্দ কেজৰিৱালে দাখিল কৰা আবেদন অগ্ৰাহ্য কৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কিছুসময়ৰ পাছত পাঞ্জাব কিংছ - ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এইবাৰৰ লোকসভা নিৰ্বাচন একবিংশ শতিকাৰ ভাৰতবৰ্ষৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ নিৰ্বাচন ৰূপে বিবেচিত হৈছে। শ্ৰীমোদীয়ে আজি মধ্য প্ৰদেশৰ বালাঘাটত এখন নিৰ্বাচনী সভাত ভাষণ দি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, এইবাৰৰ নিৰ্বাচন অকল নিৰ্বাচনেই নহয় বৰং নতুন ভাৰত গঢ়াৰ অভিযান। তেওঁ কয় যে বিজেপি চৰকাৰে সবকা সাথ-সবকা বিকাশৰ মন্ত্ৰ অনুসৰণ কৰি দেশৰ প্ৰতিখন চহৰ আৰু গাওঁক অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে।

আন্তঃগাথনিৰ উন্নয়নৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, আমাৰ চৰকাৰে দেশত অত্যাধুনিক আন্তঃগাথনি বিকশাই তোলাৰ বাবে কোটি কোটি টকা ব্যয় কৰিছে। তেওঁ কয় যে বিজেপিয়ে পূৰ্বৰ চৰকাৰৰ দিনত আনকি নিজৰ পৰিচয়ৰ পৰা বঞ্চিত হোৱা সমাজৰ দলিত-পিছপৰা-জনজাতীয় লোকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আহিছে। তেওঁ কয় যে কংগ্ৰেছে গোবিন্দ গুৰুৰ দৰে বিপ্লৱী এগৰাকীকো স্বাধীনতা যুজাৰু মৰ্যাদা প্ৰদান কৰা নাছিল। বৰ্তমান চৰকাৰে গোবিন্দ গুৰুৰ স্বাধীনতা সংগ্ৰামী মৰ্যাদা প্ৰদান কৰিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, বিজেপি চৰকাৰে তান্ত্যা মামালৈ সন্মান প্ৰদৰ্শন কৰিছে আৰু ভগৱান বিৰছা

মুণ্ডাৰ জয়ন্তী উপলক্ষে প্ৰথমবাৰৰ বাবে জনজাতীয় গৌৰৱ দিৱস আৰম্ভ কৰিছে। দেশৰ বিদেশ নীতিৰ সাফল্যৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, পূৰ্বতে কংগ্ৰেছ চৰকাৰে নিজৰ অভিযোগ লৈ আন দেশৰ ওচৰলৈ গৈছিল আৰু বৰ্তমান সময় সলনি হৈছে আৰু বিশ্বৰ ডাঙৰ ডাঙৰ দেশেও নিজৰ বিষয় সম্পৰ্কে আলোচনা কৰাৰ বাবে ভাৰতলৈ আহিবলৈ লৈছে। দেশৰ এই স্থিতি প্ৰত্যক্ষ কৰি প্ৰতিগৰাকীৰ মনোবল বৃদ্ধি পাইছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে বিভিন্ন  ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকসকলৰ আগমণ ঘটিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিয়লি উত্তৰ লখিমপুৰৰ এখন জনসভাত অংশগ্ৰহণ কৰে। লখিমপুৰ লোকসভা সমষ্টিৰ চুকুলীভৰীয়াত সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ সমৰ্থনত এখন জনসভাক সম্বোধন কৰি শ্ৰী শ্বাহে কয় যে, উত্তৰ পূৰ্বাঞ্চলে দেশৰ সফলতাৰ কাহিনী হিচাপে আত্মপ্ৰকাশ কৰিছে। বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৯ হাজাৰ ৫০০ ৰো অধিক উগ্ৰপন্থী সদস্য আত্মসমৰ্পণ কৰি সমাজৰ মূলসুঁতিলৈ উভতি আহিছে বুলি তেওঁ মন্তব্য কৰে। অঞ্চলটোৰ নিৰাপত্তা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন উত্তৰ-পূবৰ ৮০ শতাংশ এলেকাৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

শ্ৰী শ্বাহে আজি সন্ধিয়া তিনিচুকীয়াৰ চলিহা নগৰৰ পৰা থানা চাৰিআলিলৈ এটা পথযাত্ৰাত অংশ লোৱাৰ বাবে জিলাখনত উপস্থিত হৈছে। ডিব্ৰুগড় সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ গৃহমন্ত্ৰীগৰাকীয়ে এই প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব। এই সমষ্টিটোত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ আৰু আম আদমী পাৰ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

লখিমপুৰ আৰু ডিব্ৰুগড়ৰ লগতে ৰাজ্যৰ আন ৩ খন আসনৰ বাবে প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিশ্ব হোমিঅ'পেথি দিৱস উপলক্ষে কাইলৈ নতুন দিল্লীৰ দ্বাৰকাত থকা যশোভূমি সভাগৃহত দুদিনীয়াকৈ আয়োজিত হোমিঅ'পেথিক সন্মিলন উদ্বোধন কৰিব। হোমিঅ'পেথিৰ দিশত গৱেষণাৰ উদ্দেশ্যে থকা কেন্দ্ৰীয় পৰিষদ চি চি আৰ এইচৰ উদ্যোগত  এই সন্মিলনৰ আয়োজন কৰা হৈছে। আয়ুষ মন্ত্ৰালয়ৰ অধীনত এই পৰিষদে আয়োজন কৰা সন্মিলনৰ বিষয়বস্তু হৈছে দক্ষতা বৃদ্ধিৰ জৰিয়তে গৱেষণাৰ দিশত বিকাশ ঘটোৱা। এই সন্মিলনৰ যোগেদি সম্পূৰ্ণ স্বাস্থ্য আৰু আৰোগ্য তথা হোমিঅ'পেথি চিকিৎসাত উন্নত প্ৰযুক্তিৰ ব্যৱহাৰক উদগণি যোগোৱা। এই বিজ্ঞানভিত্তিক সন্মিলনত  মহামাৰী আৰু জনস্বাস্থ্য, হোমিঅ'পেথি ঔষধৰ মান আৰু প্ৰাথমিক  অনুসন্ধানৰ লগতে আন আন বিভিন্ন বিষয়ত কেইবাটাও সত্ৰ অনুষ্ঠিত হ'ব। এই উপলক্ষে কেইবাখনো গৱেষণা গ্ৰন্থ প্ৰকাশ কৰা হ'ব। আয়ুষ দপ্তৰৰ সচিব বৈদ্য ৰাজেশ কোতেজা, চি চি এইচ আৰৰ সঞ্চালক প্ৰধান ডাঃ সুভাষ কৌশিক, ৰাষ্ট্ৰীয় হোমিঅ'পেথি আয়োগৰ অধ্যক্ষ ডাঃ অনিল খুৰানা আৰু পদ্ম পুৰস্কাৰেৰে সন্মানিত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি এই সন্মিলনত উপস্থিত থাকিব।

০০০০

বিদেশ মন্ত্ৰী ডঃ এছ্ জয়শংকৰে আজি নতুন দিল্লীত বেলজিয়ামৰ বিদেশ মন্ত্ৰালয়ৰ মহা সচিব থিয়দ'ৰা জেন্তজিছ্‌ক সাক্ষাৎ কৰে। তেওঁলোকে ভাৰত, বেলজিয়াম আৰু ইউৰোপীয় সংঘৰ মাজত অৰ্থনৈতিক আৰু ৰাজনৈতিক সহযোগিতা শক্তিশালী কৰাৰ সন্দৰ্ভত পৰ্যালোচনা কৰে বুলি ছোচিয়েল মিডিয়াৰ এটা বাৰ্তাযোগে ডঃ জয়শংকৰে প্ৰকাশ কৰে। ডঃ জয়শংকৰে হীৰা উদ্যোগ সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে চেমিকনডাক্টৰ আৰু সেউজ বিকাশ সম্পৰ্কেও মতামত ব্যক্ত কৰে।

০০০০

দিল্লী উচ্চ ন্যায়ালয়ে আজি আৰকাৰী নীতি কেলেংকাৰী সন্‌পৰ্কীয় ক'লাধন বৈধকৰণৰ গোচৰত বিধি বলবৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰা কাৰ্যক প্ৰত্যাহ্বান জনাই দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দাখিল কৰা আবেদন অগ্ৰাহ্য কৰে। উচ্চ ন্যায়ালয়খনৰ ন্যায়াধীশ স্বৰ্ণকান্ত শৰ্মা আদালতে কয় যে, এই গ্ৰেপ্তাৰ সন্দৰ্ভত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ পদক্ষেপ অবৈধ নাছিল। যোৱা ২১ মাৰ্চত সঞ্চালকালয়ে দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰাৰ পাছত উচ্চ ন্যায়ালয়ে যোৱা এক এপ্ৰিলত কেজৰিৱালক ১৫ এপ্ৰিল পৰ্যন্ত ন্যায়িক জিম্মাত ৰখাৰ বাবে ৰায় দিছিল।

দিল্লী আৰকাৰী নীতি গোচৰ সন্দৰ্ভত গ্ৰেপ্তাৰক প্ৰত্যাহ্বান জনাই দিয়া আবেদন দিল্লী উচ্চ ন্যায়ালয়ে খাৰিজ কৰাৰ পিছত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল সম্পৰ্কে বিজেপিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধি দলৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদিয়ে কয় যে, আম আদমী পাৰ্টীৰ অহংকাৰ চূৰ্ণ হৈছে। তেওঁ কয় যে, কেজৰিৱালৰ সৎ চৰিত্ৰবান ভাবমুৰ্তিও তথ্য আৰু প্ৰমাণৰ জৰিয়তে মিচা বুলি প্ৰমাণিত হৈছে। উল্লেখযোগ্য যে, আপৰ নেতা তথা দিল্লীৰ মন্ত্ৰী সৌৰভ ভৰদ্বাজে দলে এতিয়া সৰ্বোচ্চ ন্যায়ালয়ৰ কাষ চাপিব বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে, দলৰ সৰ্বোচ্চ ন্যায়ালয়ৰ ওপৰত সম্পূৰ্ণ আস্থা আছে আৰু আপৰ আন এগৰাকী নেতা সঞ্জয় সিঙৰ দৰে অৰবিন্দ কেজৰিৱালেও উচ্চতম ন্যায়ালয়ৰ পৰা সকাহ লাভ কৰিব।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা শনিবাৰলৈকে মধ্য প্ৰদেশ, চত্তিশগড়, বিদৰ্ভ, মহাৰাষ্ট্ৰ, পশ্চিমবংগ, গংগা উপত্যকা অঞ্চল, ঝাৰখণ্ড, ওড়িশা, বিহাৰ আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত ধুমুহা গাজনীৰে সৈতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অব্যাহত থাকিব বুলি আগজাননী দিছে। ইপিনে, বিভাগটোৱে অহা ৭ দিনত তেলেংগানা, কেৰালা আৰু মাহেটো ধুমুহা, বৰষুণ আৰু বজ্ৰপাত হব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে। মধ্য প্ৰদেশ আৰু বিদৰ্ভত কাইলৈ ঠায়ে ঠায়ে শিল বৰষুণ হ'ব পাৰে বুলিও বিভাগে লগতে প্ৰকাশ কৰিছে। আনহাতে, অহা ৫ দিনত উত্তৰ পূব ভাৰততো বৰষুণৰ লগতে তুষাৰপাত আৰু ঠায়ে ঠায়ে ধুমুহা গাজনীৰে বজ্ৰপাত হ'ব বুলি আগলি বতৰা দিছে। ভূমধ্য সাগৰীয় অঞ্চলত দেখা দিয়া ক্ৰান্তীয় ধুমুহাৰ ফলস্বৰূপে বতৰৰ এনে পৰিৱৰ্তন হব বুলি বিভাগটোৱে জনাইছে। ইফালে, সৌৰাষ্ট্ৰ আৰু কচ্চত কিছু কিছু অংশত অহা বৃহস্পতিবাৰলৈকে গৰমৰ প্ৰকোপ অব্যাহত থাকিব। কেৰালা আৰু মাহেটো অহা দুটা দিনত কোনো কোনো সময়ত গৰম অব্যাহত থাকিব।

০০০০

বিজেপিৰ নেত্ৰী হেমা মালিনীক অসন্মানজনক মন্তব্য কৰাৰ বিৰুদ্ধে কংগ্ৰেছ নেতা ৰণদীপ সিং সুৰ্যেৱালাক নিৰ্বাচন আয়োগে জাননী জাৰি কৰিছে। অহা ১১ তাৰিখৰ বিয়লি ৫ বজাৰ ভিতৰত শ্ৰীসূৰ্যেৱালাক

এই সন্দৰ্ভত উত্তৰ দিবলৈ নিৰ্দেশ দিয়া হৈছে। আয়োগে সূৰ্যেৰালাৰ এই মন্তব্যক অমাৰ্জিত, অশোভনীয় বুলি উল্লেখ কৰি মহিলা বিধায়কগৰাকীৰ বাবে ই চূড়ান্ত অপমানজনক  আখ্যা দিয়ে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কিছুসময়ৰ পাছতে পাঞ্জাব কিংছ্ - ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চণ্ডিগড়ৰ মহাৰাজা যাদবীন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত  খেলখন অনুষ্ঠিত হব।

উল্লেখযোগ্য যে, চানৰাইজাৰ্ছ হায়দৰাবাদ পইণ্ট তালিকাৰ পঞ্চম স্থানত থকাৰ বিপৰীতে পঞ্জাব কিংছ্ ষষ্ঠ স্থানত আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ